
**গো**টেই শৰীৰটোতে এডাল বিজলুৱা কুমজেলেকুৱাৰ দৰে বগাই ফুৰা পুৰুষবোৰৰ চকুৰ চাৱনি তাই খুব ভালকৈ চিনি পায়। ঘিণ লগা সেই অনুভৱটিৰ পৰা হাত সাৰি থাকিবলৈয়ে তাই আজিকালি সদায় মুখমণ্ডলত এক কঠিনতাৰ আৱৰণ পিন্ধি থাকে। হয়তো এনেকৈ থাকোঁতে থাকোঁতে তাইৰ ভিতৰখনো লাহে লাহে কঠিন হৈ আহিবলৈয়ে আৰম্ভ কৰিছিল। কিন্তু হঠাৎ ক'ৰ পৰা জানো আহি সি সোমাই পৰিল তাইৰ জীৱনত। আহিয়েই যেন খেলিমেলি লগাই দিলে তাইৰ কোনোমতে থানথিত লগোৱা জীৱনটোক। আজিকালি তাই এক অস্থিৰতাক বুকুৰ ভিতৰত লৈ ঘূৰি ফুৰে। তাইৰ চকু দুটাই তাৰ সন্ধানতেই যেন চৌপাশৰ বিশাল অৰণ্যখনৰ সেউজীয়াবোৰত অনাহকত ঘূৰি ফুৰে। সাপৰ দৰে পৰি ৰোৱা লুংলুঙীয়া বাটটোৰে তাইৰ চকুযুৰি আগবাঢ়ি গৈ থাকে তাক বিচাৰি বিচাৰি।

# প্ৰেম-অপ্ৰেম

— জিতুমণি পাঠক



তাক তাই প্ৰথম দেখিছিল তাইৰ চাহৰ দোকানখনতেই। সিহঁতবোৰে সৰু এই বজাৰখনলৈ আহিলে প্ৰায়ে চাহ খাবলৈয়ে আহিছিল তাইৰ দোকানখনলৈ। মাকে তাইক বাৰে বাৰে সতৰ্ক কৰি দিছিল যে সিহঁতবোৰ আহিলে যি বিচাৰে তাকেই দি যিমান পাৰে সোনকালে বিদায় দিয়ে যেন। তায়ো সদায় তেনে কৰিবলৈয়ে চেষ্টা কৰিছিল। চাহৰ কাপত চুমুক দি সিহঁতবোৰে নিজৰ ভিতৰতে কিবা দুই-এটা কথা পাতিছিল। সৰু সৰুকৈ হাঁহি-ধেমালিও কৰিছিল। বাহিৰত সেই সময়বোৰত সিহঁতবোৰৰ মাজৰেই কোনোবা এটাই সন্তম হৈ বৈ থাকিছিল। তাইৰ প্ৰথম প্ৰথম ভাব হৈছিল নিজৰ সুখ-দুখ, কামনা-বাসনা বাদ দি এনে এক সংশয়পূৰ্ণ জীৱন বাছি লোৱা এই পাহোৱাল ডেকাকেইটা কেনে ধাতুৰে গঢ়া হ'ব। কি অপ্ৰতিৰোধ্য আকৰ্ষণে বাৰু সিহঁতক এইদৰে জীৱন-যৌৱনৰ প্ৰতি নিস্পৃহ কৰি তুলিছে। তাই চাহ দিব যাওঁতে সুবিধা বুজি সিহঁতৰ মুখবোৰ জুমি চাবলৈ চেষ্টা কৰে। সিহঁতবোৰে নিস্পৃহতাৰে নিজৰ মাজতে কিবাকিবি কোৱাত ব্যস্ত হৈ থাকে। সিহঁতৰ কঠিন মুখবোৰত কোনো ভাবাবেগ ফুটি নুঠিছিল। কিন্তু তাই উভতি আহোঁতে হঠাৎ অনুভৱ কৰিছিল বিজলুৱা সেই কুমজেলেকুৱাৰ স্পৰ্শ। তাৰ পাছৰে পৰা সিহঁতবোৰ আহিলেও তাই পৰাপক্ষত তাঁহাতৰ আগলৈ নোলাইছিল। মাজে মাজে সীমামূৰীয়া ৰাজ্যখন পাৰ হৈ ভাৰত-চীন সীমান্তলৈ বুলি যাব ওলোৱা আৰ্মীৰ ট্ৰাকবোৰ তাইৰ এই সৰু দোকানখনত ৰৈছিলহি। চাহ খোৱাৰ অছিলা লৈ সিহঁতে তাইৰ দোকানখনত বহিছিল। গোটেই সময়খিনি সিহঁতে দুচকুৰে তাইৰ দেহৰ সৰ্বত্ৰ লেহন কৰি গৈছিল। ঘৃণাত তাইৰ সৰ্বশৰীৰ কোঁচ খাই থাকে। কিয় জানো ইহঁতকেইটাক তাইৰ আপোন যেন ভাব হৈছিল। তাঁহাতৰ দুচকুত তাই এক প্ৰেমময় স্নিগ্ধতাৰ সন্ধান কৰিছিল। কিন্তু তাইৰ ভুল ভাঙি গৈছিল। তাই বুজি উঠিছিল সেই আৰ্মীকেইটাৰ চকুৰ চাৱনিৰ সৈতে ইহঁতকেইটাৰ চকুৰ চাৱনিৰ যেন কোনো বিশেষ পাৰ্থক্য নাই।

সি প্ৰথমবাৰলৈ তাইৰ দোকানখনলৈ আহোঁতে তাইৰ মাক সিদিনাখন দোকানখনত নাছিল। অনীহাসত্ত্বেও তাই চাহৰ কাপবোৰ লৈ তাঁহাতৰ আগলৈ গৈছিল। চাহৰ কাপবোৰ দি উভতি আহোঁতে তাই অনুভৱ কৰিছিল তাইৰ গোটেই শৰীৰটোত লডালডে ওলমি পৰিছে বিজলুৱা কীটবোৰ। এক নিস্পৃহ অৱজ্ঞাৰে তাই সিহঁতবোৰৰ আগেৰে পাৰ হৈ অহাৰ সময়ত হঠাতে যেন কিহবাই তাইৰ ভৰি দুখনক ৰখাই দিলে। তাইৰ অনুভৱে বাৰু তাইক মিছাই প্ৰলোভিত কৰা নাইতো। তাই কাঠৰ বেঞ্চখনৰ এমূৰে বহি থকা ল'ৰাজনৰ মুখলৈ ঘূৰি চাইছিল। হয়, তাইৰ অনুভৱ মিছা নাছিল। মংগোলীয় গঢ়ৰ মৰমলগা মুখৰ ল'ৰাজনে তাইৰ মুখখনলৈ একেথৰে চাই আছে। এই ল'ৰাজনক তাই কেতিয়াও আগে ইহঁতবোৰৰ লগত দেখা নাছিল। আনবোৰৰ দৰে তাৰ চকুযুৰি তাইৰ শৰীৰটোৰ লোভনীয় অংশবোৰৰে বাগৰি ফুৰা নাছিল। তাই ঘূৰি চোৱাৰ লগে লগে দুয়োটাৰ চকু দুযুৰি এক হৈ গ'ল। কেনে এক শান্ত-কোমল চাৱনি। তাইৰ বুকুৰ ভিতৰৰ ৰবফবোৰ মুহূৰ্ততে যেন চপৰা-চপৰে খহিবলৈ আৰম্ভ কৰিলে। তাইৰ এনে লাগিল যেন সেই খহনীয়াৰ শব্দ সকলোৱে শুনিবলৈ পাইছে। তাই দৌৰা-দৌৰিকৈ পাকঘৰটোৰ ভিতৰত সোমালগৈ। ভিতৰত তাই সৰু খাটখনত বহাই থৈ অহা পিয়ালী দিদিৰ তিনি বছৰীয়া ছোৱালী কাঞ্চনে তাইক দেখাৰ লগে লগে হাত দুখন মেলি দিলে। তাই কাঞ্চনক বুকুত সাৱটি ল'লে। কাঞ্চনক বুকুত সাৱটিয়েই সিহঁতবোৰ যাবৰ সময়ত তাই মনে মনে বেৰৰ জলঙাৰে জুমি চাইছিল। কান্ধত বন্দুক ওলোমাই আনবোৰৰ লগত সিও গভীৰ অৰণ্যৰ মাজত এটা সময়ত হেৰাই গৈছিল।

ইয়াৰ পাছতো সি কেইবাদিনো আহিছিল। সি অহাৰ লগে লগে তাইৰ ভিতৰত হেজাৰটা মিঠা সুৰে গুঞ্জন তুলিছিল। তাই বৰ সযতনে চাহকাপ বনাইছিল। চাহকাপ দি উঠিও বেৰৰ জলঙাৰে তাই জুমি জুমি চাইছিল। তাৰ মুখখনত চাই তাই পঢ়িব খুজিছিল আদৰৰে বনাই দিয়া চাহকাপ সি ভাল পাইছে নে নাই। তাৰ মুখত ফুটি উঠা সন্তুষ্টিৰ আভাই তাইক কেইবাদিনো সুখী কৰি ৰাখিছিল। সিহঁতবোৰ যেতিয়াই আহিছিল তেতিয়া তাই আগৰ দৰে পাকঘৰত লুকাই নাথাকি খৰধৰকৈ ওলাই আহিছিল। অৱশ্যে আজিকালি তাইৰ চাহকাপ হওঁতে পলম হ'ব ধৰিছিল। যতনৰে বনোৱা বাবেই নহয়। ইচ্ছাকৃতভাৱেই।

তাইৰ মনে সদায় আশা কৰিছিল সি তাইক কিবা কওক। কিবা সোধক। কিন্তু সি কোনো দিনে এটা শব্দও তাইৰ সৈতে বিনিময় কৰা নাছিল। কিন্তু তাইক দেখাৰ লগে লগে তাৰ চকুযুৰি যেন উজ্জ্বল হৈ পৰিছিল। এক সুখাৱেগে ঢৌৱাই গৈছিল তাইক। কুমজেলেকুৱা কিছুমান তেতিয়াও তাইৰ শৰীৰটোত বগাই ফুৰিছিল। কিন্তু তাৰ দুচকুত ইমান নিৰ্ভয়তাৰ আভাস আছিল যে সেইবোৰৰ অস্বস্তিকৰ অস্তিত্বই তাইক অকণো বিৰক্ত কৰিব পৰা নাছিল।

তাইৰ সৈতে তাৰ কথা হোৱা নাছিল যদিও কাঞ্চনৰ সৈতে সি কিন্তু ওচৰ চাপি আহিছিল। সি বহুদিন নাহিলে কাঞ্চনে তাৰ কথা সুধি তাইক ব্যতিব্যস্ত কৰি তুলিছিল। কাঞ্চনৰ আৱেগৰ জগতখনত মাক পীয়ালিতকৈ তাইৰ স্থান বেছি আছিল। আচলতে বিয়াৰ ছমাহ পাছতে তাইক ঠগাই কোচবিহাৰৰ ফালৰ মানুহটো একেবাৰে অদৃশ্য হৈ পৰিছিল। উপায়হীন তাই আকৌ আহি বিধৱা মাকৰ লগ লাগিছিলহি। পুৰুষ জাতিটোৰ প্ৰতিয়েই তাইৰ বিশ্বাস নাইকিয়া হৈ পৰিছিল। বজাৰখনৰ সিটো মূৰে থকা পীয়ালি দিদিৰ কাহিনীও তাইৰ দৰে প্ৰায় একেই। সেই বাবেই নেকি পীয়ালি দিদিৰ সৈতে তাইৰ এক নুবুজা ধৰণৰ আপোনভাব গঢ়ি উঠিছিল। কাঞ্চনজনীৰ বাবেটো তাই মাকতকৈও আপোন হৈ পৰিছিল। কিয় জানো তাইৰ ভাব হৈছিল যে তাই জীয়াই থকাৰ এক অৱলম্বন বিচাৰি পাইছে। তাইৰ দিন-ৰাতি আৱৰ্তিত হ'ব ধৰিছিল কাঞ্চনক কেন্দ্ৰ কৰি। কাঞ্চনৰ বাবেও যেন তায়েই সকলো। কিন্তু ক'ৰ পৰা জানো আহি সি তাইৰ অধিকাৰকণ সংকুচিত কৰিব ধৰিছেহি। তাইৰ হিংসা লাগিব লাগিছিল। কিন্তু নালাগিল। বৰঞ্চ কিবা এক ভাললগা ভাবে তাইক অধিক ৰোমাঞ্চিতহে কৰি তুলিলে।

আজিকালি সি বহুদিন নাহিলে অকল কাঞ্চনেই নহয়, তায়ো ভিতৰি ভিতৰি উদ্বিগ্ন হৈ পৰে। সি একেবাৰেই নাহিব নেকি ভাব এটাই তাইৰ বুকুখন কঁপাই থাকে। স্বাভাৱিক জীৱনটো বাৰে বাৰে আউল লাগে। তাই মনে মনে ভাবে, ইমান কোমল মনৰ ল'ৰাটোক বন্দুকৰ ভৰে ভাৰাক্ৰান্ত কৰি নেপেলাই নে। তাই বুকুত এক বিষ অনুভৱ কৰে। ভাবে এইবাৰ আহিলেই তাই তাক বুজাই ক'ব এইবোৰ এৰি পেলাব। কিন্তু এই সুযোগ তাই নাপায়। সি মাথোঁ তাইলৈ চাই ৰয় দূৰৰ পৰাই। তাৰ পাছত আকৌ হেৰাই যায় গভীৰ সেউজীয়া অৰণ্যানীত।

এইবাৰ বহুদিন হ'ল অহা নাই সি। মাজতে এবাৰ দেখিছিল পুলিচ আৰু আৰ্মীৰ বহুখিনি মানুহ সি হেৰাই যোৱা অৰণ্যখনিলৈ বন্দুক-বাৰুদ লৈ সোমাই যোৱা। গোটেই দিনটো তাইৰ বুকুখন ঢুকঢুকাই থাকিল। গধূলি সময়ত পুলিচ-মিলেটাৰীবোৰ ঘন জংঘলৰ পৰাই ওলাই আহিছিল।

১০ পৃষ্ঠাত চাওক

# প্ৰেম-অপ্ৰেম

*৫ পৃষ্ঠাৰ পৰা*

তাই সিহঁতবোৰৰ মুখৰ অভিব্যক্তি পঢ়িব চেষ্টা কৰিছিল। কিন্তু বহু চেষ্টা কৰিও তাই একো ধৰিব নোৱাৰিলে। যোৱা কিছুদিন ধৰি সেই চিন্তাটোৱে তাইক খুলি খুলি খাব ধৰিছে। এটা নিশাও ভালকৈ টোপনি মাৰিব পৰা নাই। চিলমিলকৈ অহা টোপনিত তাই দেখে আঘাতপ্ৰাপ্ত অৱস্থাৰে সি চুঁচৰি-চুঁচৰি তাইৰ ওচৰলৈ আগুৱাই আহিছে। তাৰ দুচকুত জীয়াই থকাৰ দুৰ্দান্ত বাসনা। তাইলৈ আগুৱাই দিছে তেজে কৰাল মৰা হাত দুখন। তাই চিঞৰ এটা মাৰি সাৰ পাই যায়।

আজি চাহ খাব দোকানখনলৈ অহা দুজনমানে কোৱাকুই কৰা শুনিছিল যে সিহঁতকেইটাক হেনো ওচৰৰ পাহাৰখনত কোনোবাই দেখিছে। তাইৰ মনটো ভাল লাগি গৈছিল। তাই কাণ উনাই আৰু কিবা জানিব পাৰে নেকি শুনিবলৈ প্ৰয়াস কৰিছিল। কিন্তু মানুহকেইজনে কথা এইবাৰ অন্য ফাললৈ পোনাইছিল। তাই হতাশ হৈ পৰিছিল। মানুহে জংঘলত দেখা সিহঁতবোৰৰ মাজত সিও বাৰু আছেনে? এই কথাই তাইক দিনটো খুলি খুলি খাই থাকিল। ৰাতি তাইৰ বাৰে বাৰে টোপনি ভাঙি গৈছিল। তাইৰ মন-মগজুক যেন সি সম্পূৰ্ণৰূপে গ্ৰাস কৰি পেলাইছিল। শেষৰাতিৰ সময়ছোৱাত তাইৰ চাগে অকশমান টোপনি আহিছিল। হঠাৎ কিবা এক প্ৰচণ্ড শব্দত তাইৰ চকুহাল মেল খাই গ'ল। টোপনিৰ আলজালতে তাই দেখিলে দিনৰ দৰে কিবা এক পোহৰে তাইৰ ৰূপটো পোহৰাই তুলিছে। লগতে খুব ওচৰতে বন্দুকৰ প্ৰচণ্ড শব্দ। তাই জঁপ মাৰি উঠি মাকৰ কাষ পাইছিল আৰু মাকক আঁজুৰি-টানি কাষৰ জংঘলখনলৈ লৰ মাৰিছিল। অলপদূৰ গৈ তাই পিছলৈ ঘূৰি চাইছিল। দেখিছিল তাইৰ ঘৰ-দোকান জুইৰ লেলিহান শিখাই আৱৰি ধৰিছে। অলপ পাছতে হঠাতে ক'ৰ পৰা জানো নাটকীয়ভাৱে কেইখনমান মিলিটাৰীৰ গাড়ী আহি তাত ৰ'ল আৰু দুয়োফালৰ পৰা গুলীয়াগুলী আৰম্ভ হ'ল। জুইৰ সৰ্বগ্ৰাসী লেলিহান ৰূপ, মানুহৰ মৰমকাতৰ আৰ্তনাদ, গুলীৰ প্ৰচণ্ড শব্দ শুনি শুনি তাই আৰু তাইৰ মাক এটা পিটনিত লুকাই শীত আৰু আতংকত থকথকাই কঁপি থাকিল।

পুৱালৈ সকলো নীৰৱ হৈ পৰিছিল। জ্বলি থকা ঘৰবোৰৰ ধোঁৱাই তেতিয়াও কুণ্ডলী পকাই আকাশলৈ উৰিয়েই আছিল। এখন জীপত ভৰাই তাঁহাত জীয়াই থকাবোৰক ওচৰৰ থানাখনলৈ লৈ যোৱা হ'ল। থানাখনৰ মুকলি ঠাইখিনিত শাৰী শাৰীকৈ শুৱাই থোৱা হৈছে বহুকেইটা মৃতদেহ। তাইৰ আগবঢ়াৰ শক্তিখিনি যেন মুহূৰ্ততে কোনোবাই শুহি নিছিল। মৃতদেহবোৰৰ কাষতে তাই থপকৈ লগে লগে বহি পৰিল। চকুবোৰ বাগৰি গ'ল এটাৰ পৰা এটা মৃতদেহলৈ। এইবোৰ তাইৰ অতি চিনাকি মানুহ। ইহঁতৰ সৈতেই তাই হাঁহি-ধেমালিৰে পাৰ কৰিছিল জীৱনৰ বহু মুহূৰ্ত। কিন্তু এতিয়া আটাবোৰ একোটা মৃতদেহলৈ পৰিণত হ'ল। আগুৱাই যোৱা চকুবোৰ হঠাৎ এঠাইত পৰাৰ লগে লগে তাই যেন স্তব্ধ হৈ গ'ল। সেয়া, মৰমলগা হালধীয়া ফ্ৰকটো পিন্ধি মাটিত ওপৰমুৱাকৈ শুই আছে কাঞ্চন। তাইৰ বুকুৰ পৰা এসোতা তেজ বৈ আহি ভৰি চুইছেহি। মুখখন তাইৰ ঘন চুলিকোছাই আৱৰি ৰাখিছে। হাতত কাঞ্চনৰ এইবাৰ তাই পূজাত দিয়া সোণালী ৰঙৰ খাৰু দুপাট। জোৰকৈ মুঠিমাৰি থকা হাত দুখনৰ সৰু সৰু আঙুলিলৈ চাই তাইৰ ভিতৰৰ পৰা এসোতা উষ্ণ পানী হৰ হৰাই বাহিৰলৈ ওলাই আহিল। ক'ৰ নোৱাৰাকৈ তাই বহি থকা ঠাইখনতে ঢলি পৰিল।

যেতিয়া তাইৰ জ্ঞান ঘূৰি আহিছিল তেতিয়া তাই অনুভৱ কৰিছিল তাইৰ মূৰত কোনোবাই শীতল পানী ছটিয়াই লাহে লাহে হাত ফুৰাই আছে। কোনোবা

তাইৰ গাত তেতিয়া একো কৰাৰে শক্তি নাছিল। দুজনমানে ধৰি তাইক দাঙি থিয় কৰাব চেষ্টা কৰিলে। কিন্তু সম্পূৰ্ণভাৱে এৰি দিয়া তাইৰ শৰীৰটোক পোন কৰিবলৈ সক্ষম নহ'ল। উপায় নাপাই এজনে হাত দুখনত আৰু এজনে ভৰি দুখনত ধৰি ডাংকোলাকৈ লৈ ছাঁ পৰা ঠাইডোখৰলৈ আগবাঢ়িল। শাৰী শাৰীকৈ পাতি থোৱা মৃতদেহৰ কাযেৰে তাই শৰীৰটো এটা মৃতদেহৰ দৰে শূন্যত ওপঙি আগবাঢ়ি গ'ল। তাই দেখিলে কালিলৈ হাঁহি-খিকিন্দালি, কাজিয়া-পেছালৰে সজীৱ হৈ থকা চিনাকি এজন এজন লোক আজি একেবাৰে নীৰৱ হৈ পৰি ৰৈছে চৌপাশে। সকলো যেন একোট প্ৰস্তৰ মূৰ্তি। কাৰো মুখত নাই আৱেগৰ কোনো চিহ্ন।

দাঙি নিয়া মানুহবোৰে তাইক নি বাৰাণ্ডাৰ ছাঁ পৰা ঠাইখনত শুৱাই দিলে। তাইক শুৱাই দিয়া ঠাইখিনিৰ ঠিক কাষতেই আৰ্মীৰ পোছাক পৰিহিত এটা মৃতদেহ শুৱাই থোৱা আছে। মৃতদেহৰ মুখখন আংশিকভাৱে ক'লা কাপোৰেৰে ঢাকি থোৱা। কিন্তু চকুযুৰি দেখাৰ লগে লগে তাইৰ দেহৰ মাজেৰে এক বিজুলীৰ সোঁত যেন প্ৰৱাহিত হৈ গ'ল। তাই কষ্টৰে উঠি বহিল। সি হয়নে? ভালকৈ মুখখনলৈ চালে। হয় সিয়েই। তাইৰ গা-মূৰ আচন্দ্ৰাই কৰি উঠিল। এক আচ্ছন্নতাই তাইক মুহূৰ্ততে গিলি পেলালে। তাইৰ এনে লাগিল যেন তাই আকৌ অজ্ঞান হৈ পৰিব। ঢলি পৰাৰ আগতে তাই কোনো মতে মূৰটো ঘূৰাই তাই আকৌ তাৰ মৃতদেহটোলৈ চালে। তাৰ স্থিৰ হৈ পৰা চকু দুযুৰিলৈ চাই তাই ঠিক কৰিব নোৱাৰিলে তাইৰ বুকুৰ মাজলৈ কুৰুকি কুৰুকি সোমাই যোৱা এই ল'ৰাটোক তাই বুকুৰ মাজত সুমুৱাই চিঞৰি কান্দি উঠিব নে তাইৰ গাঁৱৰ মানুহবোৰৰ, তাইৰ অতিকে মৰমৰ কাঞ্চনৰ এই ঘাতকজনলৈ বুলি উদ্দেশ্যি এসোপা থু মাৰি পঠিয়াব।